অধ্যায় ৬ ঃ বজাৰ গাঁথনি ঃ সম্পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ বজাৰ গাঁথনিৰ প্ৰকাৰ

৬.৪ সম্পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ সংজ্ঞা আৰু বৈশিষ্ট্য

৬.৫ ভাৰসাম্য দৰ আৰু উৎপাদন নিৰ্ধাৰণ

৬.৬ সময় উপাদান আৰু ভাৰসাম্য

৬.৭ প্ৰতিষ্ঠান এটাৰ আয় ৰেখাসমূহ

৬.৮ সৰ্বমুঠ আয়, গড় আয় আৰু প্ৰান্তিক আয়

৬.৯ প্ৰতিষ্ঠান এটাৰ ভাৰসমতা

৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১১ অধিক জানিবলৈ

৬.১২ অগ্ৰগতিৰ খতিয়ান

৬.১৩ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বজাৰ আৰু ইয়াৰ গাঁথনিৰ বিষয়ে জানিব পাৰিব
- সম্পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিব
- ভাৰসাম্য দৰ আৰু উৎপাদন কেনেকৈ নিৰ্ধাৰণ হয় সেই বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

সাধাৰণ অৰ্থত বজাৰমানে কোনো এখন ঠাই য'ত সামগ্ৰীবোৰ বেচা কিনা কৰা হয়। কিন্তু অৰ্থবিজ্ঞানত, বজাৰ মানে এটুকুৰা ঠাইক নুবুজায়, ই গোটেই অঞ্চলটোক বুজায় য'ত কোনো এটা সামগ্ৰীৰ ক্ৰেতা আৰু বিক্ৰেতা বিস্তৃত হৈ আছে।

'এ, এ, কাৰমট'ৰ শব্দত— 'অৰ্থনীতিবিদসকলৰ মতে বজাৰ শব্দটোৱে বুজায়, কোনো এটুকুৰা ঠাইক নুবুজায় য'ত সামগ্ৰীসমূহ বেচা কিনা কৰা হয় কিন্তু গোটেই অঞ্চলটোক বুজায় য'ত ক্ৰেতা আৰু বিক্ৰেতাই ইজনে সিজনৰ লগত সম্বন্ধ স্থাপন কৰে যাৰ দ্বাৰা এটা সামগ্ৰীৰ দৰ সহজ, সমান আৰু তাৎক্ষণিকভাৱে নিৰ্ধাৰিত হয়।

তদুপৰি, অৰ্থনীতিবিজ্ঞানত বজাৰ এটুকুৰা ঠাইৰ লগত জড়িত নহয়, ই কোনো এটা

সামগ্রীৰ লগতহে জড়িত। সেই কাৰণে, প্রতিটো সামগ্রীৰ বজাৰ বেলেগ বেলেগ হয়। উদাহৰণস্বৰূপে, কাপোৰ বজাৰ, শস্যৰ বজাৰ, চেনীৰ বজাৰ, চাউলৰ বজাৰ ইত্যাদি।

৬.৩ বজাৰ গাঁথনিৰ প্রকাৰ

উৎপাদনৰ উপাদনৰ বজাৰ বা উৎপাদত সামগ্রীৰ বজাৰ দুয়োটাৰ ক্ষেত্রতে বজাৰ গাঁথনিৰ প্রকাৰ তলত উল্লেখ কৰা প্রধান উপাদানৰ ওপৰত নির্ভৰ কৰে—

(ক) ক্রেতা বিক্রেতাৰ সংখ্যা আৰু প্রকৃতি।

(খ) সামগ্রীৰ প্রকৃতি।

(গ) উৎপাদনকাৰীসকলৰ মাজৰ প্রতিযোগিতা।

বজাৰক সম্পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত শ্রেণীভুক্ত কৰা হয়। সম্পূর্ণ প্রতিযোগিতামূলক বজাৰ হৈছে এনে এখন বজাৰ য'ত অগণন ক্রেতা আৰু বিক্রেতাই সম্পূর্ণ বজাৰ জ্ঞানেৰে কোনে এক সমগুণসম্পন্ন সামগ্রীৰ মুক্ত প্রৱেশ আৰু প্রস্থানৰ পৰিবেশত ক্রয় বিক্রয় সম্পাদন কৰে।

৬.৪ সম্পূর্ণ প্রতিযোগিতামূলক বজাৰ বৈশিষ্ট্যসমূহ

সম্পূর্ণ প্রতিযোগিতামূলক বজাৰৰ প্রধান বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

১) **বৃহৎ সংখ্যক ক্রেতা আৰু বিক্রেতা ঃ** এই বজাৰত ক্রেতা আৰু বিক্রেতাৰ সংখ্যা ইমানেই বেছি যে কোনেও ব্যক্তিগতভাৱে বজাৰ দৰ বা উৎপাদনক প্রভাৱিত কৰিব নোৱাৰে। এজন ক্রেতাৰ ব্যক্তিগত চাহিদা বজাৰৰ মুঠ চাহিদাৰ ইমানেই নগন্য যে তেওঁ তেওঁৰ ব্যক্তিগত আচৰণৰ দ্বাৰা সামগ্রীৰ দৰক প্রভাৱন্বিত কৰিব নোৱাৰে। তেনেদৰেই, এজন বিক্রেতাৰ যোগান বজাৰৰ মুঠ যোগানৰ ইমানেই সামান্য যে তেওঁ তেওঁৰ আচৰণৰ দ্বাৰা বজাৰ দৰক প্রভাৱিত কৰিব নোৱাৰে। অন্য অর্থত, এজন বিক্রেতাই সামগ্রীৰ যোগানক অকলে হ্রাস বা বৃদ্ধি কৰি বজাৰ দৰক প্রভাৱিত কৰিব নোৱাৰে।

২) **একজাতীয় বা একে গুণসম্পন্ন সামগ্রী ঃ** এই বজাৰত প্রতিষ্ঠানসমূহে এক জাতীয় সামগ্রী উৎপাদন আৰু বিক্রী কৰে যাতে কোনো ক্রেতাই এজন বিক্রেতাৰ সামগ্রীতকৈ আন এজন বিক্রেতাৰ সামগ্রীক পচন্দ কৰিব নোৱাৰে। ঠিক সেইদৰে, কোনো বিক্রেতাই অধিক দৰ ল'ব নোৱাৰে।

৩) **মুক্ত প্রবেশ আৰু প্রস্থান ঃ** সম্পূর্ণ প্রতিযোগিতামূলক বজাৰৰ আন এটা বৈশিষ্ট্য হ'ল প্রতিষ্ঠান এটাই উদ্যোগটোত প্রবেশ বা প্রস্থান কৰাত কোনো বাধা নথকা। ইয়াৰ অর্থ হ'ল যেতিয়াই কোনো এটা উদ্যোগে অতিৰিক্ত মুনাফা অর্জন কৰিলে, নতুন প্রতিষ্ঠানে এই লাভৰ দ্বাৰা প্রভাৱিত হৈ উদ্যোগটোত প্রৱেশ কৰিব। ঠিক সেইদৰে লোকচানৰ ক্ষেত্রত কিছুমান প্রতিষ্ঠানে উদ্যোগটোৰ পৰা প্রস্থান কৰিব।

৪) **সম্পূর্ণ বজাৰ জ্ঞান ঃ** এই বৈশিষ্ট্যই ক্রেতা আৰু বিক্রেতাৰ মাজত নিকট সম্পর্ক থকা

বুজায়। ক্রেতা আৰু বিক্রেতাৰ বজাৰ দৰ সম্পর্কত সম্পূর্ণ জ্ঞান থাকে— সামগ্রী কি দৰত বর্তমান কিনা-বেচা কৰা হৈছে আৰু ভৱিষ্যতে কি দৰত কিনা-বেচা কৰা হ'ব।

৫) **পৰিবহন ব্যয়হীন ঃ** সম্পূর্ণ প্রতিযোগিতামূলক বজাৰৰ আন এটা বৈশিষ্ট হ'ল যে এই বজাৰত সামগ্রীৰ দৰ পৰিবহন ব্যয়ৰ দ্বাৰা প্রভাৱিত নহয়।

৬) **এক দৰ ঃ** এই বজাৰত কোনো বিক্রেতাৰে নিজা দৰ নির্ধাৰণ নীতি নাথাকে। তেওঁ নিজে সামগ্রীৰ উচ্চ দৰ নির্ধাৰণ কৰিব নোৱাৰে। যদি তেওঁ তেনেকুৱা কৰে, ক্রেতাসকলে তেওঁক পৰিত্যাগ কৰিব আৰু বেলেগ বিক্রেতাৰ পৰা যিয়ে প্রচলিত দৰত সামগ্রী বিক্রী কৰি আছে, তেওঁৰ পৰা সামগ্রী ক্রয় কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰা—

ক) সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত ..... সংখ্যক ক্রেতা আৰু বিক্রেতা থাকে।

খ) সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত সকলো প্রতিষ্ঠানৰ বাবে সামগ্রীৰ দৰ ..... হয়।

প্রশ্ন নং ২ঃ শুদ্ধ নে অশুদ্ধ লিখা।

ক) সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত প্রতিখন প্রতিষ্ঠানে সমগুণসম্পন্ন সামগ্রী ক্রয় কৰে।

খ) পৰিবহন ব্যয় সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত অন্তর্ভুক্ত।

৬.৫ সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত সামগ্রীৰ দৰ আৰু উৎপাদন নির্ধাৰণ

সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত সামগ্রীৰ দৰ ইয়াৰ উদ্যোগটোৱে নির্ধাৰণ কৰে। ইয়াৰ অর্থ হ'ল— এই বজাৰত ইয়াৰ সামগ্রীৰ দৰ বজাৰ শক্তি— চাহিদা আৰু যোগানে নির্ধাৰণ কৰে। মার্ছেলৰ ভাষাত— 'এখন কেঁচিয়ে কাপোৰ এটুকুৰা কাটবলৈ যেনেকৈ ইয়াৰ দুয়োটা ফালৰ প্রয়োজন ঠিক সেইদৰে সামগ্রীৰ দৰ নির্ধাৰণ কৰিবলৈ চাহিদা আৰু যোগানৰ প্রয়োজন।'

তালিকা 6.1: **সামগ্রীৰ দৰ আৰু উৎপাদন নির্ধাৰণ**


দৰ (টকা)	চাহিদা (একক)	যোগান (একক)	ফলাফল	দৰৰ অৱস্থা
10	20,000	1,00,000	অতিৰিক্ত যোগান	দৰ হ্রাস পাব
8	40,000	80,000	অতিৰিক্ত যোগান	দৰ হ্রাস পাব
6	60,000	60,000	চাহিদা = যোগান	ভাৰসাম্য দৰ
4	80,000	40,000	অতিৰিক্ত চাহিদা	দৰ বৃদ্ধি পাব
5	1,00,000	20,000	অতিৰিক্ত চাহিদা	দৰ বৃদ্ধি পাব

যদি আমি সামগ্রীৰ দৰ 10 টকাৰ পৰা আৰম্ভ কৰো বজাৰ চাহিদা হ'ব 20,000 একক

আৰু যোগান হ'ব 1,00,000 একক। ই অতিৰিক্ত যোগানৰ সৃষ্টি কৰিব। এই দৰত কিছুমান বিক্রেতাই যিমান পৰিমাণৰ সামগ্রী বিক্রী কৰিবলৈ সাজু আছিল যিমান পৰিমাণৰ সামগ্রী বিক্রী কৰিব নোৱাৰিব। ফলস্বৰূপে বিক্রেতাসকলৰ মাজৰ প্রতিযোগিতাই সামগ্রীৰ দৰ নমাই আনিব।

যেতিয়া সামগ্রী দৰ হ্রাস পাব, বজাৰ চাহিদা প্রসাৰিত হ'ব আৰু যোগান হ্রাস পাব। সামগ্রীৰ দৰ যেতিয়া 10 টকাৰ পৰা হ্রাস পাই 8 টকা হ'ব তেতিয়াও বজাৰত অতিৰিক্ত যোগান থাকিব। ইয়াৰ ফলস্বৰূপে বজাৰ দৰ পুনৰ হ্রাস পাব। এইদৰে বজাৰ দৰ 6 টকালৈ হ্রাস পাব। সামগ্রীৰ দৰ যেতিয়া 6 টকা হ'ব যোগান আৰু চাহিদা সমান হ'ব। এই দৰত যোগানকাৰীয়ে যিমান পৰিমাণ বিক্রী কৰিম বুলি আশা কৰিছিল সেই পৰিমাণ সকলো ক্রেতাই মিলি ক্রয় কৰিব। অর্থাৎ 6 টকা হ'ল ভাৰসাম্য দৰ।

ঠিক সেইদৰে যদি আমি বজাৰ দৰ 2 টকাৰ পৰা আৰম্ভ কৰো, চাহিদাৰ পৰিমাণ যোগানতকৈ অধিক হয়। এই ক্ষেত্রত যিসকলে সামগ্রীটো ক্রয় কৰিবলৈ সাজু আছে তেওঁলোকে বজাৰত নাটনিৰ সন্মুখীন হ'ব। যিসকলে তেওঁলোকৰ চাহিদা পূৰণ কৰিব নোৱাৰিব তেওঁলোকে সামগ্রীৰ দৰ বৃদ্ধি হোৱাত উদগনি যোগাব যাতে সামগ্রীৰ যোগান বৃদ্ধি হয়। অসন্তুষ্ট ক্রেতাসকলৰ এই কার্যই বজাৰত দৰ বৃদ্ধি ঘটাব। এইদৰে বজাৰ দৰ 2 টকাৰ পৰা 6 টকালৈ বৃদ্ধি হ'ব।



যোগান আৰু চাহিদা

এই চিত্রত, DD আৰু SS হ'ল ক্রমান্বয়ে চাহিদা আৰু যোগান ৰেখা। উদ্যোগটোৱে E বিন্দুত ভাৰসাম্য অৱস্থা লাভ কৰিছে য'ত বজাৰ যোগান আৰু চাহিদা সমান। OP হ'ল ভাৰসাম্য বজাৰ দৰ আৰু OQ হ'ল ভাৰসাম্য উৎপাদন। OP তকৈ কম যিকোনো দৰত, ধৰা হ'ল OP_1, চাহিদাৰ পৰিমাণ যোগানতকৈ বেছি। এই অতিৰিক্ত চাহিদাই সামগ্রীৰ দৰ বৃদ্ধি কৰিব।

আনহাতে, OP তকৈ বেছি যিকোনো দৰত, ধৰা হ'ল OP_2, যোগান চাহিদাতকৈ অধিক। অতিৰিক্ত যোগানে সামগ্রীৰ দৰ হ্রাস কৰিব।

এই ক্ষেত্রত দেখা যায় যে যেতিয়া বজাৰত চাহিদা আৰু যোগান সমান হয় তেতিয়া সামগ্রীৰ দৰ সুস্থিৰ হয়।

৬.৬ সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত সময়ৰ ভূমিকা

যোগানৰ হ্রাস-বৃদ্ধিৰ ওপৰত ভিত্তি কৰি সময়ক দুটা ভাগত ভগাব পাৰি— হ্রস্বকাল আৰু দীর্ঘকাল। যোগানৰ প্রতিক্রিয়াৰ ওপৰত নির্ভৰ কৰি মার্ছেলে সময়ক তিনিটা ভাগত ভাগ কৰিছে—

(১) অতি হ্রস্ব কাল

(২) হ্রস্ব কাল

(৩) দীর্ঘ কাল

অতি হ্রস্ব কাল (বজাৰ কাল)

বজাৰ কাল হ'ল অতি হ্রস্ব কাল য'ত সামগ্রীৰ যোগান স্থিৰ থাকে। অর্থাৎ এই সময়ৰ ভিতৰত যোগান বৃদ্ধি কৰিব পৰা নাযায়। অন্য অর্থত, বজাৰ কালত যোগান সামগ্রীৰ মজুতৰ ওপৰত নির্ভৰ কৰে। বজাৰত সর্বোচ্চ যোগান হ'ব সামগ্রীৰ মজুতৰ সমান।

এই সময়ত চাহিদা বৃদ্ধিৰ লগে লগে সামগ্রীৰ উৎপাদন বৃদ্ধি নহয়। সামগ্রীৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰি বজাৰ কাল এদিন বা এসপ্তাহ অথবা কেইবা সপ্তাহো হ'ব পাৰে। উদাহৰণস্বৰূপে, ক্ষয়িষ্ণু দ্রব্যৰ ক্ষেত্রত, যেনে স্থায়ী মাছ, বজাৰ কাল এদিন আৰু কপাহী কাপোৰৰ বাবে ই কেইবা সপ্তাহো হ'ব পাৰে।

হ্রস্ব কাল


হ্রস্ব কালত সামগ্রীৰ যোগান সীমিত পৰিসৰলৈ বৃদ্ধি কৰিব পাৰি। এই সময়ত উৎপাদনকাৰীয়ে পৰিৱর্তনশীল উপাদানসমূহ বেছিকৈ ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰিব পাৰে। হ্রস্ব কালত কোনো প্রতিষ্ঠানৰ বাবে মূলধনৰ সজুলি বা যন্ত্রপাতি সলনি কৰাতো সম্ভৱ নহয়। সেই কাৰণে মূলধন আৰু যন্ত্রপাতি এই সময়ছোৱাত স্থিৰে থাকে। স্থিৰ যন্ত্রপাতি আৰু অন্যান্য সা-সজুলিৰ ব্যাপক ব্যৱহাৰ কৰি পৰিৱর্তনশীল উপাদানৰ ব্যৱহাৰ বৃদ্ধিৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰিব পাৰি।

দীর্ঘ কাল

দীর্ঘ কাল হ'ল সেই সময় যি সময়ত কোনো প্রতিষ্ঠানে পুৰণি যন্ত্রপাতি বাদ দি নতুন যন্ত্রপাতি ক্রয় কৰিবলৈ অনুমতি দিয়ে। আকৌ, দীর্ঘকালত নতুন প্রতিষ্ঠানে উদ্যোগটোত প্রবেশ আৰু পুৰণি প্রতিষ্ঠানে প্রস্থান কৰিব পাৰে। দীর্ঘ কালত যিহেতু উৎপাদনৰ সকলো উপাদান পৰিৱর্তনশীল, কোনো উপাদান স্থিৰি নাথাকে। দীর্ঘকালত চাহিদাৰ সমানে যোগান হ্রাস-বৃদ্ধি

কৰিব পাৰি। ঠিক সেইদৰে, এখন প্রতিষ্ঠানৰ লগতে ইয়াৰ উদ্যোগটোৰো চাহিদাৰ হ্রাস-বৃদ্ধি লগে লগে প্রসাৰ বা সংকোচন হয়।

তলৰ চিত্রত সময়ৰ লগত যোগান ৰেখাই কেনেকৈ প্রতিক্রিয়া আগবঢ়াই তাকে প্রকাশ কৰা হ'ল—



ওপৰৰ চিত্রত MPS হ'ল অতি হ্রস্বকালীন যোগান ৰেখা, SRS হ'ল হ্রস্বকালীন আৰু LRS দীর্ঘকালীন যোগান ৰেখা। আৰম্ভণীতে, চাহিদা ৰেখা DD আৰু বজাৰকালীন যোগান ৰেখাই পৰস্পৰে E বিন্দুত কটাকটি কৰিছে আৰু সামগ্রীটোৰ দৰ OP নির্ধাৰণ হ'ব। ধৰা হ'ল চাহিদাৰ পৰিবর্তন DD পৰা D/D/ লৈ হৈছে।

সামগ্রীৰ যোগান অতি হ্রস্বকালত বৃদ্ধি কৰিব পৰা নাযায় আৰু ইয়াৰ পৰিমাণ OM তে সীমাবদ্ধ থাকিব। নতুন চাহিদা ৰেখা D/D/ আৰু বজাৰকালীন যোগান ৰেখা MPS য়ে Q বিন্দুত কটাকটি কৰিছে। ইয়াৰ ফলস্বৰূপে সামগ্রীৰ দৰ $OP^{/}$ লৈ বৃদ্ধি হ'ব। সময়ৰ লগত যদি প্রতিষ্ঠানটোৱে যোগান বৃদ্ধি কৰে তেন্তে বজাৰকালীন যোগান ৰেখা MPS সোঁফাললৈ গতি কৰি SRS ৰ ৰূপ ল'ব। SRS হ'ল হ্রস্বকালীন যোগান ৰেখা। এই ৰেখাই নতুন চাহিদা ৰেখা D/ D/ ক R বিন্দুত কাটিছে। সেই কাৰণে সামগ্রীৰ হ্রস্বকালীন দৰ $OP^{/}$ ৰ পৰা কমি $OP^{//}$ হ'ব। $OP^{//}$ দৰ $OP^{/}$ তকৈ কম হ'ব। যদি দীর্ঘকালত যোগান বৃদ্ধি হৈ যোগান ৰেখা SRS ৰ পৰা LRS লৈ পৰিবর্তিত হ'ব। LRS ৰেখাই D/D/ ৰেখাক S বিন্দুত কাটিছে। দীর্ঘকালত বজাৰ দৰ হ'ব $OP^{///}$. $OP^{///}$ দৰ $OP^{//}$ তকৈ কম। অর্থাৎ দীর্ঘকালীন দৰ $OP^{///}$, নতুন বজাৰ দৰ $OP^{/}$ আৰু হ্রস্বকালীন দৰ $OP^{//}$ তকৈ কম। কিন্তু ই প্রকৃত দৰ OP তকৈ কম। যদি উদ্যোগটো খৰছ

বৃদ্ধি হোৱা উদ্যোগ হয় তেতিয়া দীর্ঘকালীন দৰ সামগ্রীৰ আৰম্ভণীৰ দৰতকৈ বেছি হ'ব। আনহাতে, সম খৰছ বৃদ্ধি হোৱা উদ্যোগত দীর্ঘকালীন দৰ সামগ্রীৰ আৰম্ভণীৰ দৰৰ সমান আৰু খৰছ হ্রাস হোৱা উদ্যোগত দীর্ঘকালীন দৰ সামগ্রীৰ আৰম্ভণীৰ দৰতকৈ কম হয়।

এইদৰে মার্ছেলে চাহিদা আৰু যোগানক সমানেই গুৰুত্ব দি কেনেকৈ সামগ্রীৰ দৰ নির্ধাৰণ কৰা হয় তাৰ ব্যাখ্যা আগবঢ়ালে, যদিও বিভিন্ন সময়ত দুয়ো বিভিন্ন ধৰণে প্রভাৱান্বিত কৰে।

৬.৭ প্রতিষ্ঠান এটাৰ আয় ৰেখাসমূহ

মুঠ আয় ঃ এক নির্দিষ্ট পৰিমাণৰ দ্রব্য বিক্রী কৰি এখন প্রতিষ্ঠানে সর্বমুঠ যিখিনি আয় কৰে তাকে মুঠ আয় বোলে।

মুঠ আয় (TR) = দৰ (P) × পৰিমাণ Q

গড় আয় ঃ গড় আয় হৈছে প্রতি একক দ্রব্য বিক্রীৰ আয়

$$\text{গড় আয়} = \frac{\text{মুঠ আয়}}{\text{পৰিমাণ}} = \frac{TR}{Q}$$

$$\text{গড় আয়} = \frac{TR}{Q} = \frac{P \times Q}{Q} = P = \text{দৰ}$$

প্রান্তিক আয় ঃ

এক একক অতিৰিক্ত দ্রব্য বিক্রী কৰিলে মুঠ আয়ৰ যি পৰিমাণে বৃদ্ধি হয় তাকে প্রান্তিক আয় বোলে।

$$MR = \frac{\Delta TR}{\Delta Q}, \quad Q = \text{পৰিমাণ}$$

বা $MR = TR_n - TR_{n-1}$

য'ত n = বিক্রীৰ পৰিমাণ।

৬.৮ TR, AR আৰু MR আৰু সম্পূর্ণ প্রতিযোগিতামূলক বজাৰ


সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত সামগ্রীৰ দৰ বজাৰ চাহিদা আৰু যোগানে নির্ধাৰণ কৰে আৰু সেই কাৰণে বজাৰত এটা দৰেই প্রচলিত থাকে। গতিকে সকলো প্রতিষ্ঠান সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত দৰ গ্রহণকাৰী। প্রতিটো প্রতিষ্ঠানে যিমান ইচ্ছা সিমান বিক্রী কৰিব পাৰে কিন্তু এই বজাৰ দৰতহে প্রতিটো প্রতিষ্ঠানৰ বাবে দৰ একেটাই হ'ব। কেৱল এখন প্রতিষ্ঠানৰ ব্যক্তিগত প্রয়াসৰ ফলত দৰৰ হ্রাস বৃদ্ধি নহ'ব।

তালিকা 6.2: সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত TR, AR and MR

দৰ (P)	বিক্রীৰ পৰিমাণ (Q)	TR = P.Q.	$AR = \frac{TR}{Q}$	MR = $TR_n - TR_{n-1}$
10 টকা	1 একক	10 টকা	10 টকা	10 টকা
10 টকা	2 একক	20 টকা	10 টকা	10 টকা
10 টকা	3 একক	30 টকা	10 টকা	10 টকা
10 টকা	4 একক	40 টকা	10 টকা	10 টকা
10 টকা	5 একক	50 টকা	10 টকা	10 টকা

ওপৰৰ তালিকাৰ পৰা এইটো স্পষ্ট যে সম্পূর্ণ প্রতিযোগিতামূলক বজাৰত AR আৰু MR স্থিৰ হয় আৰু দুয়োডাল ৰেখা একে হ'ব।

চিত্র - ১ চিত্র - ২ চিত্র - ৩



চিত্র 6.2



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ এখনত সামগ্রীৰ দৰ 5 টকা। TR, AR আৰু MR ৰ পৰিমাণ নির্ধাৰণ কৰা।

পৰিমাণ	AR	TR	MR
1	–	–	–
2	–	–	–
3	–	–	–
4	–	–	–
5	–	–	–
6	–	–	–

৬.৯ পূৰ্ণ প্ৰতিযোতিমূলক বজাৰ প্ৰতিষ্ঠান এটাৰ ভাৰসাম্য

অৰ্থ ঃ

প্ৰতিষ্ঠান এটাই ভাৰসাম্য অৱস্থাত ইয়াৰ মুঠ উৎপাদন পৰিবৰ্তন কৰিব নিবিচাৰে। মুঠ উৎপাদন বৃদ্ধি বা ইয়াক হ্ৰাস কৰাৰ কোনো দৰকাৰ নাথাকে। এই অৱস্থাত প্ৰতিষ্ঠানটোৱে সৰ্বাধিক লাভ অৰ্জন কৰিব বিচাৰে। ষ্টীনিয়েৰ আৰু হে'গৰ মতে, 'কোনো এখন প্ৰতিষ্ঠানে ভাৰসাম্য অৱস্থাত সৰ্বাধিক মুদ্ৰাগত মুনাফা অৰ্জন কৰে।'

হ্ৰস্বকালীন ভাৰসাম্য

হ্ৰস্বকালত কোনো এখন প্ৰতিষ্ঠানে কেৱল উৎপাদনৰ পৰিবৰ্তনশীল উপাদানসমূহ সলনি কৰি মুঠ উৎপাদনৰ পৰিমাণ হ্ৰাস বা বৃদ্ধি কৰিব পাৰে। তাৰ লগতে হ্ৰস্বকালত কোনো এটা উদ্যোগৰ অন্তৰ্গত প্ৰতিষ্ঠানৰ সংখ্যা স্থিৰে থাকে। এই প্ৰতিষ্ঠানসমূহৰ কোনো প্ৰতিষ্ঠানে হ্ৰস্বকালত উদ্যোগটো পৰিত্যাগ কৰিব নোৱাৰে লগতে নতুন প্ৰতিষ্ঠানৰ প্ৰৱেশো সম্ভৱ নহয়।

ভাৰসাম্য অৱস্থা লাভ কৰিবলৈ হ'লে প্ৰতিষ্ঠান এটাই তলৰ চৰ্ত দুটা পূৰণ কৰিব লাগিব—

১) প্ৰান্তিক আয় = প্ৰান্তিক ব্যয় (MR = MC)


২) প্ৰান্তিক ব্যয় ৰেখাই প্ৰান্তিক আয় ৰেখাক ভাৰসাম্য বিন্দুত তলৰ পৰা ছেদ কৰে।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ প্ৰতিষ্ঠান এটাই ইয়াৰ সামগ্ৰী বিক্ৰী কৰা বজাৰ দৰ বজাৰ চাহিদা আৰু বজাৰ যোগানে নিৰ্ধাৰণ কৰে। প্ৰতিখন প্ৰতিষ্ঠানে এই দৰত যিকোনো পৰিমাণ বিক্ৰী কৰিব পাৰে। কিন্তু এই দৰতকৈ বেছি দৰত বজাৰত বিক্ৰী কৰিবলৈ সক্ষম নহ'ব। কাৰণ এই বজাৰত অসংখ্য বিক্ৰেতা থাকে। সেই কাৰণে এই বজাৰত চাহিদা ৰেখাডাল আনুভূমিক আৰু দৰ = গড় আয় = প্ৰান্তিক আয়।

হ্ৰস্বকালত তিনি প্ৰকাৰৰ প্ৰতিষ্ঠান দেখা যায়—

ক) অস্বাভাৱিক লাভ

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ কিছুমান প্ৰতিষ্ঠানে হ্ৰস্বকালত অস্বাভাৱিক লাভ আৰ্জন কৰিবলৈ সক্ষম হ'ব যেতিয়া বজাৰত নিৰ্ধাৰিত দৰ (AR) এই প্ৰতিষ্ঠানসমূহৰ গড় ব্যয়তকৈ বেছি হ'ব।



ওপৰত বাওঁফালৰ চিত্রত বজাৰ চাহিদা ৰেখা (DD) আৰু যোগান ৰেখা (SS)য়ে A বিন্দুত কটাকটি কৰিছে। OP হ'ল ভাৰসাম্য দৰ। এই দৰ সকলো প্রতিষ্ঠানৰ বাবে নির্ধাৰিত। এই প্রতিষ্ঠানবোৰে যিকোনো পৰিমাণ এই দৰত বিক্রী কৰিব পাৰিব। সোঁফালৰ চিত্রত PL ৰেখাডাল হ'ল প্রতিষ্ঠানটোৰ চাহিদা ৰেখা। প্রতিষ্ঠানটোৱে E বিন্দুত ভাৰসামতা লাভ কৰিছে য'ত MR = MC আৰু MC ৰেখাই MR ৰেখাক তলৰ ফালৰ পৰা ছেদ কৰিছে। এই বিন্দুত—

ভাৰসাম্য পৰিমাণ = OQ

গড় ব্যয় (AC) = OT বা QR

মুঠ আয় (TR) = দৰ × ভাৰসাম্য পৰিমাণ

= OP × OQ

= OP × E Q

মুঠ ব্যয় = AC × ভাৰসাম্য পৰিমাণ

= OT × OQ

= OTRQ


অস্বাভাৱিক লাভ = TR – TC

= OPEQ – OTRQ

= TPER

(খ) স্বাভাৱিক লাভ


পূর্ণ প্রতিযোগিতামূলক বজাৰত এখন প্রতিষ্ঠানে ভাৰসাম্য অৱস্থাত স্বাভাৱিক লাভ আর্জন কৰিবলৈ সক্ষম হ'ব যেতিয়া বজাৰ দৰ ইয়াৰ গড় ব্যয়ৰ সমান হয় (AR = AC)।



ওপৰৰ চিত্রত প্রতিষ্ঠানটোৱে E বিন্দুত ভাৰসাম্য অৱস্থা লাভ কৰিছে য'ত MR = MC। এই বিন্দুত গড় আয় আৰু গড় ব্যয় সমান। অর্থাৎ, প্রতিষ্ঠানটোৱে কেৱল স্বাভাৱিক লাভ অর্জন কৰিবলৈ সক্ষম হ'ব।

(গ) লোকচান আৰু উৎপাদন কার্য বন্ধৰ অৱস্থা

পূর্ণ প্রতিযোগিতামূলক বজাৰত হ্রস্বকালত প্রতিষ্ঠান এটাই লোকচানৰ সন্মুখীন হ'ব পাৰে যেতিয়া ভাৰসাম্য দৰ ইয়াৰ গড় ব্যয়তকৈ কম হয়। কিন্তু প্রতিষ্ঠানটোৱে ইয়াৰ উৎপাদন কার্য চলাই নিবলৈ সক্ষম হ'ব যেতিয়ালৈকে দৰ প্রতিষ্ঠানটোৰ গড় পৰিৱর্তনশীল ব্যয়তকৈ অধিক হ'ব। যদি দৰ গড় পৰিৱর্তনশীল ব্যয়তকৈ কম হয়, তেতিয়া প্রতিষ্ঠানটোৱে উৎপাদন কার্য বন্ধ কৰি দিব। প্রতিষ্ঠান এটাই ইয়াৰ স্থিৰ ব্যয়ৰ সমান লোকচান ভৰিব পাৰে, কিন্তু তাতকৈ বেছি নহয়।



যেতিয়া সামগ্রীৰ দৰ OP_1 হয়, প্রতিষ্ঠানটোৱে E_1 বিন্দুত ভাৰসাম্যতা লাভ কৰে আৰু OQ_1 পৰিমাণ উৎপাদন কৰে। যিহেতু গড় ব্যয় Q_1A_1 গড় আয় Q_1E_1 তকৈ বেছি, গতিকে প্রতিষ্ঠানটোৱে লোকচানৰ সন্মুখীন হ'ব। মুঠ লোকচানৰ পৰিমাণ হ'ব $P_1T_1A_1E_1$। কিন্তু প্রতিষ্ঠানটোৱে উৎপাদন কার্য চলাই নিবলৈ সক্ষম হ'ব কাৰণ সামগ্রীৰ দৰ OP_1 বা Q_1E_1 প্রতিষ্ঠানটোৰ গড় পৰিৱর্তনশীল (AVC) ব্যয় Q_1V_1 তকৈ বেছি। অর্থাৎ, এই দৰত (OP_1) প্রতিষ্ঠানটোৱে ইয়াৰ মুঠ পৰিৱর্তনশীল ব্যয় $OS_1V_1Q_1$ খিনি আতৰাব পাৰিব আৰু স্থিৰ ব্যয়ৰ কিছু অংশও লাভ কৰিব।


কিন্তু যদি সামগ্রীৰ দৰ OP_2 লৈকে হ্রাস পায়, তেন্তে প্রতিষ্ঠানটোৱে মাত্র পৰিৱর্তনশীল ব্যয়হে আঁতৰাব পাৰিব। ওপৰৰ চিত্রত E_2 বিন্দুত গড় আয় আৰু গড় পৰিৱর্তনশীল সমান। যদি সামগ্রীৰ দৰ OP_2 তকৈ কম হয়, যেনে OP_3, প্রতিষ্ঠানটোৱে ইয়াৰ উৎপাদন কার্য বন্ধ ৰাখিব।

দীর্ঘকালীন ভাৰসাম্য

দীর্ঘকালত প্রতিষ্ঠান এটাই যথেষ্টখিনি নিয়ন্ত্রণ কৰিব পাৰে। দীর্ঘকালত সকলো ব্যয় হ'ল পৰিবর্তনশীল ব্যয়। গতিকে স্থিৰ ব্যয় বুলি একো নাথাকে। ঠিক সেইদৰে নতুন প্রতিষ্ঠানেও এই বজাৰত প্রৱেশ কৰিব পাৰে।

দীর্ঘকালত সকলোবোৰ প্রতিষ্ঠানে কেৱল স্বাভাৱিক লাভ অর্জন কৰিবলৈহে সক্ষম হয়। যদি সকলো প্রতিষ্ঠানে হ্রস্বকালত অস্বাভাৱিক লাভ অর্জন কৰে তেন্তে দীর্ঘকালত এই অস্বাভাৱিক লাভৰ দ্বাৰা আকর্ষিত হৈ নতুন নতুন প্রতিষ্ঠানে বজাৰত প্রৱেশ কৰিব। ইয়াৰ দ্বাৰা যোগান বৃদ্ধি হ'ব। অত্যাধিক যোগানৰ ফলত বজাৰ দৰ হ্রাস পাব। এই দৰ তেতিয়ালৈকে হ্রাস পাব যেতিয়ালৈকে সকলো প্রতিষ্ঠানে কেৱল স্বাভাৱিক লাভ অর্জন নকৰে।

তেনেদৰে যদিহে হ্রস্বকালত সকলো প্রতিষ্ঠানে লোকচানৰ সন্মুখীন হৈ থাকে তেন্তে দীর্ঘকালত কিছুমান প্রতিষ্ঠানে উদ্যোগটো ত্যাগ কৰিব। যাৰ ফলত যোগান হ্রাস পাব। যোগানৰ হ্রাসে বজাৰ দৰ বৃদ্ধি কৰিব আৰু বাকীবোৰ প্রতিষ্ঠানৰ বাবে স্বাভাৱিক লাভ অর্জনৰ সুবিধা কৰি দিব।



ওপৰৰ চিত্রত প্রতিষ্ঠানটোৱে E বিন্দুত ভাৰসাম্য অৱস্থা লাভ কৰিছে। এই বিন্দুত দীর্ঘকালীন গড় ব্যয় (LAC) আৰু গড় আয়ৰ পৰিমাণ সমান কাৰণেই প্রতিষ্ঠানটোৱে স্বাভাৱিক লাভ আর্জন কৰিছে।

এই বিন্দুত

LAR = LMR = LMC = LAC.

দীর্ঘকালীন গড় আয় = দীর্ঘকালীন প্রান্তিক আয় = দীর্ঘকালীন প্রান্তিক ব্যয় = দীর্ঘকালীন গড় ব্যয়।



৬.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বজাৰ মানে এটুকুৰা ঠাইক নুবুজায়। ই গোটেই অঞ্চলটোক বুজায় য'ত ক্রেতা আৰু বিক্রেতাৰ প্রসাৰ আছে।
- বজাৰৰ আকৃতি আৰু প্রকাৰ নির্ধাৰিত হোৱা উপাদানবোৰ হ'ল—
  ক) ক্রেতা আৰু বিক্রেতাৰ সংখ্যা, খ) সামগ্রীৰ প্রকাৰ আৰু গ) প্রতিযোগিতা
- বজাৰ— পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত শ্রেণীভূক্ত।
- পূর্ণ প্রতিযোগিতামূলক বজাৰ বৈশিষ্ট্যসমূহ হ'ল—
  ক) অসংখ্য ক্রেতা আৰু বিক্রেতা, খ) সমগুণসম্পন্ন সামগ্রী, গ) মুক্ত প্রবেশ আৰু প্রস্থান, ঘ) বজাৰ সম্পর্কে সম্পূর্ণ জ্ঞান, ঙ) পৰিবহন ব্যয় শূন্য, চ) এক দাম।
- পূর্ণ প্রতিযোগিতামূলক বজাৰত সামগ্রীৰ দৰ বজাৰ চাহিদা আৰু যোগানৰ দ্বাৰা নির্ধাৰিত হয়।
- গড় আয় আৰু গড় ব্যয় ৰেখা দুডাল একে হয় আৰু ই আনুভূমিক।
- হ্রস্বকালত তিনিটা অৱস্থা দেখা যায়—
  ক) কিছুমান প্রতিষ্ঠানে অস্বাভাৱিক লাভ পায়।
  খ) কিছুমান প্রতিষ্ঠানে স্বাভাৱিক লাভ পায়।
  গ) কিছুমান প্রতিষ্ঠানৰ লোকচান হয়।
- দীর্ঘকালত সকলো প্রতিষ্ঠানে স্বাভাৱিক লাভহে অর্জন কৰে।



৬.১১ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.

4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৬.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ক) অসংখ্য খ) এক দাম

২ নং প্রশ্নৰ উত্তৰঃ খ) সঁচা খ) মিছা

৩ নং প্রশ্নৰ উত্তৰঃ

পৰিমাণ	AR	TR	MR
1	5	5	5
2	5	10	5
3	5	15	5
4	5	20	5
5	5	25	5
6	5	30	5



৬.১৩ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন ১ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত AR .....

প্রশ্ন ২ঃ প্রতিষ্ঠানৰ ভাৰসমতা মানে কি?

প্রশ্ন ৩ঃ বজাৰ কাক বোলে?

প্রশ্ন ৪ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত ..... বিক্রেতা আছে।

প্রশ্ন ৫ঃ উৎপাদন বন্ধৰ বিন্দু কি?

প্রশ্ন ৬ঃ অস্বাভাৱিক লাভ কাক বোলে?

প্রশ্ন ৭ঃ AR = TR/ .....

প্রশ্ন ৮ঃ প্রতিষ্ঠানৰ ভাৰসাম্য লাভৰ চর্তসমূহ কি কি?

প্রশ্ন ৯ঃ উদ্যোগ এটাৰ ভাৰসাম্য লাভৰ চর্ত কি?

প্রশ্ন ১০ঃ অতিৰিক্ত চাহিদা কি?

খ) চমু প্রশ্ন

প্রশ্ন ১ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ২ঃ অতিৰিক্ত চাহিদা আৰু অতিৰিক্ত যোগানৰ ধাৰণাটো ব্যাখ্যা কৰা।

প্রশ্ন ৩ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰৰ দীর্ঘকালত এখন প্রতিষ্ঠানৰ বাবে ()। চিত্রৰ সহায়ত ব্যাখ্যা কৰা।

গ) দীঘলীয়া প্রশ্ন

প্রশ্ন ১ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত হ্রস্বকালত প্রতিষ্ঠান এটাই কেনেকৈ ভাৰসাম্য অৱস্থা লাভ কৰে ব্যাখ্যা কৰা।

প্রশ্ন ২ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰ কি? এই বজাৰত সামগ্রীৰ দৰ কেনেদৰে নির্ধাৰণ কৰা হয় ব্যাখ্যা কৰা।

*** ***** ***